# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 27-07-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত হ'বলগীয়া নীতি আয়োগৰ নৱম পৰিচালন পৰিষদৰ সভাত আজি অধ্যক্ষতা কৰিব।

২। পেৰিছ্‌ অলিম্পিক ২০২৪, যোৱানিশাৰে পৰা ফ্ৰান্সত আৰম্ভ হৈছে।

৩। ৰাষ্ট্ৰপতি আৰু প্ৰাক্তন ৰাষ্ট্ৰপতিসকলে বিভিন্ন অনুষ্ঠান উপলক্ষে লাভ কৰা নিৰ্বাচিত উপহাৰসমূহ ৰাষ্ট্ৰপতি ভৱনে ই-উপহাৰ পৰ্টেলৰ জৰিয়তে নিলামৰ ব্যৱস্থা কৰিছে।

৪। শ্ৰীলংকাৰ পালেকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত  আজি তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত  শ্ৰীলংকাৰ মুখামুখি হ'ব।

*আৰু*

৫। শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত নিটি আয়োগৰ নৱম পৰিচালন পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব । এইবাৰৰ বৈঠকৰ বিষয়বস্তু হৈছে "বিকশিত ভাৰত@২০৪৭," - ভাৰতক উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাত গুৰুত্ব আৰোপ। নিটি আয়োগৰ তৰফৰ পৰা প্ৰকাশ কৰা অনুসৰি এই বৈঠকৰ লক্ষ্য হৈছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ মাজত সহযোগিতা গঢ়ি তোলাৰ লগতে গাওঁ-নগৰ উভয় ক্ষেত্ৰতে জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰা। এই বৈঠকত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ ভূমিকা সম্পৰ্কেও বিশদভাৱে আলোচনা কৰা হ'ব। নিটি আয়োগে উল্লেখ কৰে যে ভাৰত বিশ্বৰ তৃতীয় বৃহত্তম অৰ্থনীতি হোৱাৰ পথত অগ্ৰসৰ হৈছে। প্ৰধানমন্ত্ৰীগৰাকী নিটি আয়োগৰ অধ্যক্ষ। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুখ্যমন্ত্ৰী আৰু উপ-ৰাজ্যপাল, কেন্দ্ৰীয় মন্ত্ৰী, নিটি আয়োগৰ উপাধ্যক্ষ আৰু সদস্য- আদি আজিৰ বৈঠকত উপস্থিত থাকিব।

০০০০০

পেৰিছ্‌ অলিম্পিক ২০২৪, যোৱানিশাৰে পৰা ফ্ৰান্সত আৰম্ভ হৈছে। উদ্বোধনী অনুষ্ঠান আৰম্ভ হোৱাৰ লগে লগে বতৰে বিধি পথালি দিয়াৰ পাছতো অগণন দৰ্শকে অনুষ্ঠান উপভোগ কৰে। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল

মেক্ৰ'নে পেৰিছৰ চেইন নদীত প্ৰায় ৭ হাজাৰ খেলুৱৈয়ে নাৱেৰে পেৰেড কৰা এটা অগতানুগতিক অনুষ্ঠানত পেৰিছ অলিম্পিক গেমছ্ ২০২৪ মুকলি হোৱা বুলি ঘোষণা কৰে। ভাৰতীয় দলটোক পি ভি সিন্ধু আৰু শৰৎ কমলে নেতৃত্ব দিয়ে। মুলন ৰুজৰ ৮০ গৰাকী শিল্পীয়ে গোলাপী ৰঙৰ সাজ-পোছাকত ১৮২০ চনৰ পৰা প্ৰচলিত প্ৰখ্যাত নৃত্য পৰিৱেশন কৰে। পণ্ট নট্ৰে ডেম আৰু পেৰিছ চহৰ প্ৰেক্ষাগৃহত ৫০ গৰাকী নৃত্য শিল্পীয়ে একেলগে অনুষ্ঠান পৰিৱেশন কৰে। আমেৰিকাৰ তাৰকা শিল্পী লেডী গাগাৰ পৰিৱেশনেও দৰ্শকসকলক মন্ত্ৰমুগ্ধ কৰে।

ইতিহাসত প্ৰথমবাৰৰ বাবে এইবেলি মুকলি আকাশৰ তলত অলিম্পিক ক্ৰীড়া সমাৰোহৰ উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হয়

ooooo

পেৰিছ অলিম্পিক আৰম্ভ হোৱাৰ লগে লগে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় দলটোক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমোদীয়ে কয় যে, প্ৰতিজন খেলুৱৈ দেশৰ গৌৰৱ। পেৰিছ অলম্পিকত প্ৰতিগৰাকী ভাৰতীয় খেলুৱৈ জিলিকি উঠিব আৰু তেওঁলোকৰ দুৰ্দান্ত প্ৰদৰ্শনেৰে দেশবাসীক অনুপ্ৰাণিত কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

ooooo

ইউনেস্ক'ৱে চৰাইদেউ মৈদাম ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ঘোষণা কৰিছে। এই ঘোষণাৰ লগে লগে সাংস্কৃতিক শ্ৰেণীত মৈদাম ক্ষেত্ৰখন উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন বিশ্ব ঐতিহ্য ক্ষেত্ৰ আৰু ভাৰতবৰ্ষৰ ৪৩ সংখ্যক বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত হৈছে। ইয়াৰ আগেয়ে কাজিৰঙা আৰু মানস ৰাষ্ট্ৰীয় উদ্যানক প্ৰাকৃতিক ঐতিহ্য শ্ৰেণীৰ অধীনত বিশ্ব ঐতিহ্য ক্ষেত্ৰ হিচাপে চিহ্নিত কৰা হৈছিল। ইয়াকে ধৰি ভাৰত এতিয়া সৰ্বাধিক বিশ্ব ঐতিহ্য ক্ষেত্ৰ থকা দেশ হিচাপে বিশ্বৰ ভিতৰত ৬ নম্বৰ স্থানত আছে। এই অন্তৰ্ভুক্তিৰ কথা ঘোষণা কৰি সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয় যে উত্তৰ পূৰ্বাঞ্চল আৰু অসমৰ বাবে এয়া হৈছে এক বৃহৎ সাফল্য।

উল্লেখযোগ্য যে, চৰাইদেউ জিলাত অৱস্থিত চৰাইদেউ মৈদাম ক্ষেত্ৰক অসমৰ পিৰামিড হিচাপে অভিহিত কৰা হয় আৰু এই ক্ষেত্ৰখনত ৯০ গৰাকীতকৈও অধিক আহোম ৰাজ পৰিয়ালৰ লোকক সমাধিস্থ কৰা হৈছে। এই ক্ষেত্ৰখনে আহোম ৰাজত্বৰ সুকীয়া ঐতিহ্য বহন কৰি আহিছে। এনে এখন ক্ষেত্ৰক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যদা প্ৰদান কৰাৰ লগে লগে সমগ্ৰ ভাৰতবাসী উৎফুল্লিত হৈছে।

চৰাইদেউ মৈদাম ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত হোৱাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আনন্দ আৰু গৌৰৱ প্ৰকাশ কৰিছে।  এটা টুইট বাৰ্তাত শ্ৰীমোদীয়ে কয় যে, চৰাইদেউ মৈদামবোৰে পূৰ্বপুৰুষৰ প্ৰতি সৰ্বোচ্চ শ্ৰদ্ধা তৰ্পণৰ গৌৰৱময় আহোম সংস্কৃতি প্ৰদৰ্শন কৰি আহিছে। বিশ্ব ঐহিত্যৰ তালিকাত স্থান লাভৰ পাছত মহান আহোম শাসন আৰু সংস্কৃতিৰ বিষয়ে অধিক লোকে জানিব পাৰিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰাইদেউ মৈদামে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত স্থান লাভ কৰাটো অসমৰ বাবে স্মৰণীয় দিন হিচাপে উল্লেখ কৰে। এয়া অসমৰ বাবে এটা বৃহৎ প্ৰাপ্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, চৰাইদেউ মৈদাম হৈছে অসমৰ টাই-আহোম জনগোষ্ঠীৰ গভীৰ আধ্যাত্মিক বিশ্বাস, চহকী ঐতিহ্য আৰু স্থাপত্য ভাস্কৰ্যৰ অপূৰ্ব নিদৰ্শন।

ooooo

ৰাষ্ট্ৰপতি ভৱনে ই-উপহাৰ নামৰ অনলাইন পৰ্টেলৰ জৰিয়তে বিভিন্ন অনুষ্ঠানত ৰাষ্ট্ৰপতি আৰু প্ৰাক্তন ৰাষ্ট্ৰপতিসকলে লাভ কৰা নিৰ্বাচিত উপহাৰসমূহ নিলাম কৰিব। ৰাষ্ট্ৰপতি হিচাপে দুবছৰ সম্পূৰ্ণ হোৱাৰ লগে লগে দ্ৰৌপদী মুৰ্মুৱে এই পৰ্টেল মুকলি কৰে । প্ৰথম পৰ্যায়ত প্ৰায় ২৫০ টা সুন্দৰ উপহাৰ নিলাম কৰা হ'ব। অহা মাহৰ ৫ তাৰিখৰ পৰা ২৬ তাৰিখলৈ নিলাম প্ৰক্ৰিয়া মুকলি থাকিব। নিলামৰ সময়সীমা শেষ হোৱাৰ পিছত সামগ্ৰীসমূহ অৰ্পন কৰা হ'ব। ইচ্ছুক ব্যক্তিয়ে upahaar.rashtrapatibhavan.gov.in পৰ্টেলত সবিশেষ তথ্য লাভ কৰিব পাৰিব। নিলামৰ পৰা লাভ কৰা সকলো ধন আৰ্তজনৰ সহায়ৰ বাবে আগবঢ়োৱা হ'ব। নিলামৰ বাবে থকা উপহাৰসমূহ ৰাষ্ট্ৰপতি ভৱনৰ সংগ্ৰহালয়ত জনসাধাৰণৰ দৰ্শনৰ বাবে উপলব্ধ হ'ব। ইচ্ছুক দৰ্শকে visit.rashtrapatibhavan.gov.in পৰ্টেলৰ জৰিয়তে সংগ্ৰহালয়ৰ টিকট বুকিং কৰিব পাৰিব। মঙলবাৰৰ পৰা দেওবাৰলৈকে, পুৱা ৯ বাজি ৩০ মিনিটৰ পৰা বিয়লি ৫ বজালৈ দৰ্শকৰ বাবে সংগ্ৰহালয়ৰ দুৱাৰ মুকলি থাকিব।

00000

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই কৈছে যে বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশৰ সশস্ত্ৰ বাহিনীৰ সুবিধাৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী আৰু তেওঁৰ চৰকাৰ দেশৰ নিৰাপত্তাৰ বাবে উৎসৰ্গিত বুলিও তেওঁ প্ৰকাশ কৰে। কালি নতুন দিল্লীত কাৰ্গিল বিজয় ৰজত জয়ন্তী সমাৰোহত উপস্থিত থাকি শ্ৰী নাড্ডাই কয় যে মোডী চৰকাৰে সীমান্তৰ আন্তঃগাঁথনিত অধিক গুৰুত্ব দিছে আৰু প্ৰতিৰক্ষা বাহিনীৰ বাবে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ ব্যৱস্থা কৰিছে। প্ৰধানমন্ত্ৰীয়ে সশস্ত্ৰ বাহিনীত গুৰুত্ব আৰোপ কৰি ভাৰতে যে প্ৰতিশোধ ল'ব জানে সেয়া বিশ্বৰ সন্মুখত প্ৰতিপন্ন কৰিছে বুলিও শ্ৰী নাড্ডাই প্ৰকাশ কৰে।

00000

প্ৰতি বছৰে চিকিৎসাৰ উদ্দেশ্যে দেশলৈ অহা বিদেশী পৰ্যটকৰ সংখ্যা বৃদ্ধি পাইছে। ২০২০ বৰ্ষত এই উদ্দেশ্যে অহা পৰ্যটকৰ সংখ্যা ১৮৩গৰাকীৰ পৰা বৃদ্ধি হৈ ২০২৩ চনত এই সংখ্যা ৬৩৫ হয়গৈ। ৰাজ্যসভাত এটা লিখিত উত্তৰত পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয় যে, দেশত চিকিৎসাৰ সুবিধা ল'ব বিচৰাসকলৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে মেডিকেল ভেন্যু ট্ৰেভেল নামেৰে এটা অফিচিয়েল প'ৰ্টেল মুকলি কৰে। এই প'ৰ্টেলটোৱে ভাৰতলৈ অহা আন্তঃৰাষ্ট্ৰীয় চিকিৎসা ভ্ৰমণকাৰীসকলৰ তথ্য আৰু ৰোগীৰ যাত্ৰা সু-শৃংখলিত কৰাত সহায় কৰিব।

00000

শ্ৰীলংকাৰ পাল্লেকলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত ভাৰত আজি তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত শ্ৰীলংকাৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাৰ পৰা আৰম্ভ হ'ব।

00000

শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত শ্ৰীলংকাই পাকিস্তানক ৩ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। কাইলৈ শ্ৰীলংকাই ভাৰতৰ বিৰুদ্ধে ফাইনেলত অৱতীৰ্ণ হ'ব। কালিৰ খেলখনত ১৪১ ৰানৰ লক্ষ্যৰে খেলা শ্ৰীলংকাৰ দলটোৱে তিনিটা উইকেট আৰু এটা বল বাকী থকা অৱস্থাত জয় লাভ কৰিবলৈ সমৰ্থ হয়। প্ৰথমে বেট ধৰি পাকিস্তানে নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। শ্ৰীলংকাৰ অধিনায়ক ছোমাৰি আঠাপথ্থুৱে সৰ্বাধিক ৬৩ ৰান কৰে আৰু প্লেয়াৰ অব দ্যা মেছ খিতাপ দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত বাংলাদেশত ১০ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ৫৪টা বলতেই ৮১ ৰানৰ লক্ষ্যত উপনীত হৈ ভাৰতে খেলখনত জয়লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেট ধৰি বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত কেৱল ৮০ ৰানহে কৰিবলৈ সমৰ্থ হৈছিল। ভাৰতীয় অপেনাৰ স্মৃতি মন্ধানাই খেলখনত ৩৯টা বলত ৫৫ ৰান সংগ্ৰহ কৰে।

০০০০০

**সমাপ্ত**